SAF Social Axiom Foundation

চিল্ড্ৰেন এগেইনষ্ট চাইল্ড এবিউজ

# প্ৰজেক্ট কাকা (CACA)

## চাপৰ্ট ষ্টাফ বুকলেট

শিশু উৎপীড়নৰ বিৰুদ্ধে আপোনাক আৰু
আপোনাৰ সন্তানক সশক্ত কৰিবলৈ




ASM



এই বুকলেটখন ইংৰাজী, হিন্দী আৰু আঞ্চলিক ভাষাবোৰত
www.projectcaca.org ঠিকনাৰ পৰা ডাউনলোড কৰিব পাৰি।

পাৰ্টনাৰ (সঙ্গী)

CSJ Counsel to Secure Justice | Fortis | edusynergies

বিভিন্ন সত্তাৰ সমৰ্থন সহ:
ষ্টেট লীগেল চাৰ্ভিচেছ অঠৰিটিবোৰ - (SLSA) আৰু ষ্টেট কমিচন ফৰ
প্ৰটেক্সন অফ চাইল্ড ৰাইটচ - (SCPCR)।

www.projectcaca.org

*RED-ASM-01*

# ইণ্ডেক্স

1. এই কম্পেনিয়ন বুকলেট খন কোনে পঢ়িব লাগে? 01
2. স্কুল এখনৰ চেফটী পলিচী 01
3. কাকা (CACA) চেফটী ৱৰ্কবুকচ 02
4. শিশু অধিকাৰ 03
5. কমিচনচ ফৰ প্ৰটেক্সন অফ চাইল্ড ৰাইটচ (CPCR) এক্ট / শিশু অধিকাৰ সংৰক্ষণ আয়োগ (CPCR) অধিনিয়ম 03
6. জুভেনাইল জাষ্টিচ (কেয়াৰ এণ্ড প্ৰটেক্সন) এক্ট - JJ এক্ট / কিশোৰ ন্যায় (যত্ন আৰু সুৰক্ষা) - JJ অধিনিয়ম 04
7. প্ৰটেক্সন অফ চিল্ড্ৰেন ফ্ৰম চেক্সুৱেল অফেন্সেচ এক্ট - POCSO (পক্সো) / যৌন অপৰাধৰ পৰা শিশুৰ সুৰক্ষা অধিনিয়ম 06
8. POCSO E-BOX (পক্সো ই-বক্স) 09
9. নেচনেল চেক্স অফেণ্ডাৰ ৰেজিষ্ট্ৰি - NDSO / ৰাষ্ট্ৰীয় যৌন অপৰাধী পঞ্জী 10
10. নেচনেল লীগেল চাৰ্ভিচেছ অঠ'ৰিটি - NALSA / ৰাষ্ট্ৰীয় আইনী সেৱা কৰ্তৃপক্ষ 11
11. ঈঅঈঅ (CACA) সুৰক্ষা কৰ্মপুস্তিকাত অন্তৰ্ভুক্ত চৰকাৰী ল'গ'/নীতি/আঁচনি/হেল্পলাইন নম্বৰ 12

পাবিচড বাই (প্ৰকাশক): এডুচিনাৰ্জিচ ফৰ চ'ছিয়েল এক্সিয়ম ফাউণ্ডেচন (SAF)
প্ৰিণ্টেড বাই (মূদ্ৰক): ৰেপ্ৰো ইণ্ডিয়া লি.

ডিচক্লেইমাৰ - এই বুকলেটখন অৰ্হতাপ্ৰাপ্ত বিশেষজ্ঞ এজনৰ উপদেশৰ বিকল্প নহয়। পাঠকৰ লাভালাভৰ বাবে বিভিন্ন আইনৰ বিষয়বস্ত আৰু ব্যৱস্থাবোৰ সৰল কৰা হৈছে। এই বুকলেটখন কোনো আইনৰ বিকল্প নহয়।

© কপিৰাইট ২০২১, SAF চ'ছিয়েল এক্সিয়ম ফাউণ্ডেচন। অল ৰাইট ৰিজাৰ্ভড।

SAF Social Axiom Foundation

চিল্ড্ৰন এগেইনষ্ট চাইল্ড এবিউজ

## 1. এই কম্পেনিয়ন বুকলেট খন কোনে পঢ়িব লাগে?

এই বুকলেটখন হৈছে স্কুলৰ চেফটী পলিচীৰ অধীনত শিশুসকলক শিকোৱা কাকা (CACA) চেফটী ৱৰ্কবুকবোৰৰ সঙ্গী। ৱৰ্কবুকবোৰ হৈছে প্ৰজেক্টটোৰ কেন্দ্ৰীয় অংশ। ইয়াৰ উপৰিও, প্ৰজেক্টটোত স্কুলখনৰ শিক্ষক, মাক-দেউতাক আৰু চাপৰ্ট-ষ্টাফৰ বাবে কম্পেনিয়ন বুকলেট আৰু ৱৰ্কশ্বপ আছে। চেফটী ৱৰ্কবুকবোৰে আমাৰ শিশুসকলক সিঁহতৰ অধিকাৰ (শিশু অধিকাৰ), লিংগ সমতা, আৰু চাইল্ড এবিউজৰ (শিশু উৎপীড়ন) বিষয়ে শিকায়। ৱৰ্কবুকবোৰে চাইল্ড এবিউজ (শিশু উৎপীড়ন) প্ৰতিৰোধ কৰাৰ ওপৰত গুৰুত্ব দিয়ে। ব্যক্তিগত সুৰক্ষাৰ উপৰিও, ৱৰ্কবুকবোৰে স্বাস্থ্য আৰু পৰিচ্ছন্নতাৰ বিষয়ে আৱৰে। শিশু, শিক্ষক, মাক-দেউতাক, ককা-আইতা আৰু চাপৰ্ট-ষ্টাফ সকল ৱৰ্কবুকত বিভিন্ন চৰিত্ৰ হিচাপে দেখা যায়। শিশুসকলে সিঁহতৰ মাক-দেউতাকৰ সমৰ্থন অবিহনে ৱৰ্কবুকবোৰ বুজিবলৈ সক্ষম নহ'ব। মাক-দেউতাক, শিক্ষক আৰু চাপৰ্ট-ষ্টাফৰ বাবে বুকলেটবোৰ ইংৰাজী, হিন্দী আৰু বিভিন্ন আঞ্চলিক ভাষাত আছে যাতে তেওঁলোকে চেফটী ৱৰ্কবুক অনুসৰি নিজকে অনুকুলিত কৰিব পাৰে।

এই কম্পেনিয়ন বুকলেটখন চাপৰ্ট-ষ্টাফৰ বাবে, যিসসকলৰ ভিতৰত কিছুমান হৈছে লগতে মাক-দেউতাক আৰু ককা-আইতাও। অৱশ্যে, শিশুৰ বিষয়ে চিন্তা কৰা যিকোনো লোক এই বুকলেটখন পঢ়াত আগ্ৰহী হব। কিয়নো আমি সকলোৱে বিচাৰোঁ যে শিশুসকল সুখী, স্বাস্থ্যৱান আৰু সুৰক্ষিত হয়। ড্ৰাইভাৰ, কণ্ডাক্টৰ, চুইপাৰ, মেইডচ আদিৰ দৰে স্কুল এখনৰ ফুল বা পাৰ্ট-টাইম চাপৰ্ট-ষ্টাফ সকলে নিয়মীয়াকৈ শিশুসকলৰ সৈতে আদান-প্ৰদান কৰিব লগা হয়। তেওঁলোকে শিশুৰ চেফটী সম্পৰ্কীয় বিভিন্ন আইন বুজিব লাগিব।

## 2. স্কুল এখনৰ চেফটী পলিচী

প্ৰজেক্ট কাকা (CACA) বিভিন্ন সংগঠন যেনে কমিচনচ ফৰ প্ৰটেক্সন অফ চাইল্ড ৰাইটচ (শিশু অধিকাৰ সুৰক্ষা আয়োগ), চৰকাৰী মন্ত্ৰালয় আৰু বিভাগ, স্কুল বোৰ্ড, চুপ্ৰীম আৰু হাই ক'ৰ্ট আদিৰ দ্বাৰা জাৰী কৰা বিভিন্ন সুৰক্ষা গাইডলাইন, নিয়মাৱলী আৰু চাৰ্কুলাৰ অনুসৰণ কৰে, যিবোৰ প্ৰতিখন স্কুলে অনুসৰণ কৰিব লাগে। প্ৰতিখন স্কুলে ইয়াৰ বিদ্যাৰ্থীসকলৰ সুৰক্ষাৰ বাবে নিম্নলিখিত শ্ৰেণীৰ সুৰক্ষাৰ বাবে প্ৰস্'ত হ'ব লাগে।

### স্কুলবোৰৰ বাবে শিশু চেফটীৰ শ্ৰেণীবোৰ

১. আন্তঃগাঁথনি ।২. স্বাস্থ্য ।৩. পৰিবহন ।৪. বিদ্যাৰ্থী সুৰক্ষা প্ৰণালী ।৫. ব্যক্তিগত, সামাজিক, আৱেগিক আৰু চেক্সুৱেল চেফটী ।৬. প্ৰতিবেদন প্ৰদান আৰু সঁহাৰি প্ৰণালী ।৭. জৰুৰীকালীন প্ৰস্'তি আৰু দুৰ্যোগ ব্যৱস্'াপনা ।৮. চাইবাৰ চেফটী

SAF Social Axiom Foundation

**প্ৰজক্েট কাকা (CACA)-এ শশিু, অভভিাৱক আৰু শকি্ষক, আৰু সহায়ক-কৰ্মচাৰীসকলক শশিুকন্েদ্ৰকি সুৰক্ষাৰ ওপৰৰ শ্ৰণেীসমূহৰ ওপৰত শক্তশিালী, শকি্ষা আৰু সংবদেনশীল কৰ।ে এই প্ৰকল্পত শশিুৰ অধকিাৰ, লংিগ সমতা আৰু শশিু নৰি্যাতনৰ শকৈ্ষকি, আইনী আৰু মানসকি দশিসমূহ সামৰলি◌োৱা হছৈ।ে**

## 3. কাকা (CACA) চেফটী ৱৰ্কবুকচ

'কোমল' হৈছে এখন চুটি কাৰ্টুন ফিল্ম যিয়ে শিশুসকলক চাইল্ড চেক্সুৰেল এবিউজৰ (শিশু যৌন উৎপীড়ন) বিৰুদ্ধে শক্তিশালী কৰে। ঘএঙ - চাইল্ডলাইন্ড ইণ্ডিয়া ফাউণ্ডেচনে ইয়াক ভাৰত চৰকাৰৰ সহযোগিতাত প্ৰস্'ত কৰিছে। কোমল হৈছে আন যিকোনো ৭ বছৰ বয়সীয়া ছোৱালীৰ দৰে, যাক দুৰ্ভাগ্যবশত: তাইৰ চুবুৰিয়াই এবিউজ (উৎপীড়ন) কৰে। ফিল্মখনে শিশুসকলক চেফ - আনচেফ টাচ্ছৰ (সুৰক্ষিত - অসুৰক্ষিত স্পৰ্শ) বিষয়ে বৰ্ণনা কৰে যাৰ দ্বাৰা সিঁহতে নিজকে সুৰক্ষিত ৰাখিব পাৰে। কাকা (ঈঅঈঅ) চেফটী ৱৰ্কবুকচ কোমল ফিল্মৰ ওপৰত আধাৰিত। সেইবোৰে এক বয়স-উপযুক্ত আৰু প্ৰগতিশীল উপায়ে ফিল্মখনত আৰৰা বিভিন্ন চেফটী শিকায় যেনে:




- *চেফ - আনচেফ টাচ্ছ*
- *গোপন কথা*
- *বিশ্বাসী বয়স্ক লোক*
- *এয়া আপোনাৰ ভুল নহয়*
- *দৃঢ় হোৱা*
- চাইল্ড হেল্পলাইন নম্বৰ ১০৯৮
- ইত্যাদি।

ফিল্মখন স্কুলত শিশুসকলক দেখুওৱা হৈছে। মাক-দেউতাক, ককা-আইতা, স্কুলৰ শিক্ষক আৰু চাপৰ্ট-ষ্টাফ সকলেও এয়া চাব লাগে। ফিল্মখন ইংৰাজী, হিন্দী আৰু বিভিন্ন ভাষাত উপলব্ধ। ইয়াক ইউটিউব (YouTube) - ইন্টাৰনেটত 'কোমল চাইল্ডলাইন' আৰু তামিল, হিন্দী আদিৰ দৰে আপোনাৰ ভাষা লিখি সহজে সন্ধান কৰিব পাৰি।

ৱৰ্কবুকবোৰ ৩ জন শ্ৰেষ্ঠ বন্ধুৰ কাহিনীৰ ওপৰত আধাৰিত: এজনী ছোৱালী - ছানা; এজন ল'ৰা - অৰ্পিত, আৰু এটা বাঘ, পক্সো। এই ৩ জন লগতে সহপাঠীও।


পক্সো


সানা


অৰ্পতি



চাৰ্ভে (জৰীপ) ২০০৭ - মিনিষ্ট্ৰী অফ ৱোমেন এণ্ড চাইল্ড ডেভেলপমেণ্ট (MW&CD) / মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়, ভাৰত চৰকাৰ: প্ৰতিটো দ্বিতীয় শিশু, লৰা বা ছোৱালীয়ে, এক বা একাধিক প্ৰকাৰৰ চেক্সুৱেল এবিউজৰ (যৌন উৎপীড়ন) সন্মুখীন হয়। ল'ৰাবোৰো চেক্সুৱেল এবিউজৰ (যৌন উৎপীড়ন) প্ৰতি সমানে অসুৰক্ষিত। বেছিভাগ ক্ষেত্ৰত, উৎপীড়ন কৰোঁতা এজন অচিনাকি নহয় কিন্ত প্ৰায়ে শিশুটোৰ পৰিচিত ব্যক্তি হয়।

## 4. শিশু অধিকাৰ

১৮ বছৰ বয়সৰ তলৰ যিকোনো ব্যক্তিক শিশু (জুভেনাইল) বুলি কোৱা হয়। আন সকলো ব্যক্তিক প্ৰাপ্তবয়স্ক বুলি কোৱা হয়। প্ৰাপ্তবয়স্কৰ দৰে শিশুসকলো চিটিজেন (নাগৰিক)। তেওঁলোকৰ ওচৰত নাগৰিকৰ বাবে উপলব্ধ সকলো অধিকাৰ আছে যিবোৰ ভাৰতৰ কনষ্টিটিউচনত (সংবিধান) আছে। লগতে তেওঁলোকৰ কিছুমান অধিকাৰ আছে যিবোৰ কেৱল তেওঁলোকৰ বাবেহে যেনে:

- ✓ শিশুসকলৰ সিহঁতৰ অধিকাৰবোৰৰ বিষয়ে জনাৰ অধিকাৰ আছে।
- ✓ শিশুসকলৰ ভাল শিক্ষাৰ অধিকাৰ আছে।
- ✓ শিশুসকলৰ ভাল স্বাস্থ্য সেৱাৰ অধিকাৰ আছে।
- ✓ শিশুসকলৰ ভালদৰে খোৱাৰ অধিকাৰ আছে।
- ✓ শিশুৰ অৰ্থনৈতিক আৰু চেক্সুৱেল (যৌন) শোষণৰ পৰা সুৰক্ষিত হোৱাৰ অধিকাৰ আছে।

  ইত্যাদি।

এনে বহুতো আইন আৰু চৰকাৰী আঁচনি আছে যিবোৰ শিশু অধিকাৰৰ ওপৰত আধাৰিত। চেফটী ৱৰ্কবুকচে আমাৰ শিশুসকলক সেইবোৰৰ বিষয়ে অৱগত কৰে। মনত ৰাখিব, শিশুসকলে সিঁহৰৰ অধিকাৰ প্ৰাপ্ত কৰাটো প্ৰতিজন প্ৰাপ্তবয়স্কৰ দায়িত্ব।

## 5. কমিচনচ ফৰ প্ৰটেক্সন অফ চাইল্ড ৰাইটচ (CPCR) এক্ট

কমিচনচ ফৰ প্ৰটেক্সন অফ চাইল্ড ৰাইটচ এক্ট (২০০৫) নেচনেল কমিচন - NCPCR আৰু ষ্টেট কমিচনচ ফৰ প্ৰটেক্সন অফ চাইল্ড ৰাইটচ - SCPCR , এই আইনৰ অধীনত স্থাপিত। কমিচনবোৰ শিশু অধিকাৰ আৰু সম্পৰ্কিত আইন ৰূপায়ণ নিৰীক্ষণ কৰাৰ বাবে দায়বদ্ধ। প্ৰতিটো কমিচনৰ মুৰব্বী হৈছে এজন অধ্যক্ষ। কমিচনবোৰৰ বিভিন্ন দায়িত্ব থাকিব পাৰে যেনে - অভিযোগৰ অনুসন্ধান কৰা আৰু বিভিন্ন বিষয়ৰ সৈতে সম্পৰ্কিত বিষয়বোৰত চুও মোটো (ইয়াৰ দ্বাৰা নিজাকৈ) হস্তক্ষেপ কৰা যেনে:

- শিশু অধিকাৰ উলংঘন
- তেওঁলোকে লগতে এনে ঘটনাবোৰৰ পৰা উদ্ভৱ হ'ব পৰা বিষয়বোৰ আৰক্ষী আদিৰ দৰে উপযুক্ত কৰ্তৃপক্ষৰ ওচৰত উত্থাপন কৰিব পাৰে।

## 6. জুভেনাইল জাষ্টিচ (কেয়াৰ এণ্ড প্ৰটেক্সন) এক্ট - JJ এক্ট

এই এক্ট (আইন) সমগ্ৰ ভাৰতত প্ৰযোজ্য। ই ১৮ বছৰতকৈ কম বয়সৰ যিকোনো ব্যক্তিক শিশু বুলি সংজ্ঞা দিয়ে। ই অ আৰু ই শ্ৰেণীৰ ভিতৰত অন্তৰ্ভুক্ত শিশুসকলৰ ওপৰত কাম কৰে:

শ্ৰেণী অ: যিসকল শিশুৱে আইন উলংঘন কৰিছে (চিলড্ৰেন ইন কনফ্লিক্ট ৱিথ দা ল')।

শ্ৰেণী ই: যত্ন, সুৰক্ষা, চিকিৎসা, বিকাশ আৰু পুনৰ্সংস্থাপনৰ প্ৰয়োজনীয়তা থকা শিশু যেনে এনে এক শিশু:

- যাক কোনো ঘৰ বা থকা স্থান অবিহনে পোৱা যায় - অনাথ, পৰিত্যক্ত, আদি;
- যি মানসিক বা শাৰীৰিকভাৱে অক্ষম আৰু তাইৰ/তাৰ যত্ন লোৱাৰ বাবে কোনো উপযুক্ত ব্যক্তি নাই;
- যাৰ বিবাহৰ বয়স হোৱাৰ আগতে বিবাহৰ আশংকা আছে আৰু এনে বিবাহৰ বাবে যাৰ পিতৃ-মাতৃ বা পৰিয়ালৰ সদস্য দায়বদ্ধ হোৱাৰ সম্ভাৱনা আছে;

ইত্যাদি।

> শ্ৰেণী A-ৰ শিশু এটা শ্ৰেণী B-ৰ ভিতৰতো পৰিব পাৰে। উদাহৰণ স্বৰূপে এক অনাথ যি আইন উলংঘন কৰে।

### চাইল্ড ৱেলফেয়াৰ কমিটি - CWC / শিশু কল্যাণ সমিতি

চাইল্ড ৱেলফেয়াৰ কমিটিবোৰে (শিশু কল্যাণ সমিতি) শিশুসকলৰ বাবে যত্ন, সুৰক্ষা, চিকিৎসা, বিকাশ আৰু পুনৰ্সংস্থাপন নিশ্চিত কৰে আৰু ইয়াৰ ব্যৱস্থা কৰে। CWC-ত এজন চেয়াৰমেন (অধ্যক্ষ) আৰু চাৰিজন আন সদস্য থাকে। কমেও এগৰাকী সদস্য মহিলা হয় আৰু আন এগৰাকি শিশু সম্পৰ্কিত বিষয়ৰ বিশেষজ্ঞ হয়। যিকোনো লোকে CWC-ৰ ওচৰত শিশু এটা উপস্থাপন কৰিব পাৰে, শিশুটোৱে নিজে অহা সহ।

✓ CWC শিশুটিক ধৰি যিকোনো ব্যক্তিয়ে উচ্চ ন্যায়ালয়ৰ আগত সন্তানক উপস্থাপন কৰিব পাৰে।

✓ শিশু হেল্পলাইন 1098 ত যিকোনো ব্যক্তিয়ে ফোন কৰিব পাৰে, শিশুটিকি নিজেই ফোন কৰিব পাৰে।

## জুভেনাইল জাষ্টিচ ব'ৰ্ড - JJB

আইন উলংঘন কৰা শিশুসকলক (যাক অপৰাধী বুলি কোৱা নহয়) জুভেনাইল জাষ্টিচ ব'ৰ্ড - JJB-ৰ ওচৰত উপস্থাপন কৰা হয় আৰু প্ৰাপ্তবয়স্কসকলৰ বাবে সচৰাচৰ আদালতত নহয়। JJB-ত এগৰাকী জুডিচিয়েল মেজিষ্ট্ৰেট (ন্যায়িক দণ্ডাধীশ) আৰু দুগৰাকী চচিয়েল ৱৰ্কাৰ (সমাজ কৰ্মী) থাকে, যাৰ কমেও এগৰাকী মহিলা হয়। কনফ্লিক্ট ৱিথ ল (আইন উলংঘন কৰা) শিশুৰ সন্দৰ্ভত JJB-য়ে এক ইনকুৱাৰী কৰে (মোকৰ্দমা নহয়) আৰু JJ এক্ট অনুসৰি অৰ্ডাৰ (অদেশ) জাৰী কৰে। মনত ৰাখিব, শিশু এটাক কেতিয়াও পুলিচ লক-আপ বা জেলত ৰাখিব নোৱাৰি। যেতিয়া JJB-য়ে পায় যে আইন উলংঘন কৰা শিশু এটা লগতে যত্ন আৰু সুৰক্ষাৰ প্ৰয়োজনীয়তা থকা শিশু হয়, ই শিশুটোক CWC-লৈ প্ৰেৰণ কৰিব পাৰে। মনত ৰাখিব, JJB-য়ে শিশুসকলে কৰা সকলো অপৰাধ যেনে চুৰি, ডকাইটি, হত্যা আদিৰ বাবে সিঁহতৰ সৈতে মোকাবিলা কৰে।

## স্পেচিয়েল জুভেনাইল পুলিচ ইউনিট - SJPU

শিশুৰ বিষয়বোৰৰ সৈতে কাম কৰা আৰক্ষী পৃথক হয়। তেওঁলোকক স্পেচিয়েল জুভেনাইল পুলিচ ইউনিট (SJPU) বুলি কোৱা হয়। JJ এক্টৰ অধীনত প্ৰতিখন জিলাত শিশুৰ বাবে বিশেষভাৱে CWC, SJPU, আৰু JJB গঠন কৰা হয়। ইয়াৰ উপৰিও, প্ৰতিটো পুলিচ ষ্টেচনত (আৰক্ষী চকী) শিশুৰ সৈতে মোকাবিলা কৰাৰ বাবে এগৰাকী বিশেষ পুলিচ কল্যাণ বিষয়া থাকে।

## JJB-ৰ দ্বাৰা আদেশ

শিশুসকলৰ দ্বাৰা সম্পাদন কৰা বিভিন্ন প্ৰকাৰৰ ক্ৰাইমৰ (অপৰাধ) বাবে JJB-য়ে শিশু এটাৰ বাবে নিম্নলিখিত প্ৰকাৰৰ আদেশবোৰ দিব পাৰে:

- উপদেশ বা সতৰ্কবানীৰ পিছত ঘৰলৈ যাবলৈ
- গোট পৰামৰ্শত অংশগ্ৰহণ কৰিবলৈ
- সমাজ সেৱাত অংশগ্ৰহণ কৰিবলৈ
- জৰিমনা এটা পৰিশোধ কৰিবলৈ
- এক গাৰ্ডিয়েন (অভিভাৱক) /মাক-দেউতাকৰ তত্বাৱধানত প্ৰবেচনত মুকলি কৰি দিবলৈ।
- সংস্কাৰমূলক সেৱা থকা *'স্পেচিয়েল হোম' (বিশেষ ঘৰলৈ) প্ৰেৰণ কৰিবলৈ, কিন্ত' তিনি বছৰতকৈ অধিক সময়ৰ বাবে নহয়।
- ডি-এডিক্সন চেণ্টাৰ (নিচামুক্তি কেন্দ্ৰ) এটালৈ প্ৰেৰণ কৰিবলৈ।

*এক বিশেষ ঘৰ হৈছে এক আৱসিক স্থান। বিশেষ ঘৰত শিশু এটাই বিদ্যালয়, ভকেচনেল ট্ৰেইনিং আদিত অংশগ্ৰহণ কৰিব পাৰে।

চৰকাৰী চাকৰি, পাছপৰ্ট এপিকেচন আদিত ভৱিষ্যতে যিকোনো অগ্ৰাহ্য কৰাৰ বাবে আৰক্ষীয়ে কোনো শিশুৰ অভিলেখ ৰাখিব নোৱাৰে।

SAF Social Axiom Foundation

## চিলড্ৰেনচ ক'ৰ্ট ( শিশু আদালত)

যেতিয়া ১৬-ৰ পৰা ১৮ বছৰ বয়সৰ শিশু এটাক হত্যা আদিৰ দৰে জঘন্য অপৰাধৰ বাবে আটক কৰা হয় আৰু JJB-ৰ ওচৰলৈ অনা হয়, JJB-য়ে পৰীক্ষা কৰে যে শিশুটোৰ প্ৰাপ্তবয়স্ক হিচাপে মানসিক ক্ষমতা আছে নে নাই। যদি JJB-য়ে পায় যে শিশুটোৰ প্ৰাপ্তবয়স্ক হিচাপে মানসিক ক্ষমতা আছে, ই শিশুটোক চিলড্ৰেনচ ক'ৰ্টলৈ ( শিশু আদালত) প্ৰেৰণ কৰে। শিশুটোৰ মানসিক ক্ষমতাৰ বিষয়ত চিলড্ৰেনচ ক'ৰ্টে ( শিশু আদালত) JJB-ৰ সৈতে সন্মত হবও পাৰে নহবও পাৰে। যদি চিলড্ৰেনচ ক'ৰ্টে ( শিশু আদালত) JJB-ৰ সৈতে সন্মত হয়, শিশুটোক এক প্ৰাপ্তবয়স্ক বুলি গণ্য কৰা হয়, আৰু চিলড্ৰেনচ ক'ৰ্টে মোকৰ্দমা এটা আৰম্ভ কৰে। অৱশ্যে, কোনো অপৰাধৰ বাবে কোনো শিশুক আজীৱন কাৰাদণ্ড দিব নোৱাৰি বা মৃত্যুদণ্ড প্ৰদান কৰিব নোৱাৰি। যদি শিশু আদালত JJB-ৰ সৈতে অসন্মত হয়, শিশুটোক প্ৰাপ্তবয়স্ক হিচাপে গণ্য কৰা নহয় আৰু আগতে 'JJB-ৰ দ্বাৰা আদেশ'-ৰ অধীনত উলেখ কৰা অনুসৰি চিলড্ৰেনচ ক'ৰ্টে ( শিশু আদালত) আদেশ জাৰী প্ৰদান কৰে।

## 7. প্ৰটেক্সন অফ চিল্ড্ৰেন ফ্ৰম চেক্সুৱেল অফেন্সেচ এক্ট - POCSO (পক্সো) / যৌন অপৰাধৰ পৰা শিশুৰ সুৰক্ষা অধিনিয়ম

১৮ বছৰতকৈ কম বয়সৰ সকলোকে যৌন অপৰাধৰ পৰা সুৰক্ষিত কৰিবলৈ ২০১২ চনত আইনখন প্ৰণয়ন কৰা হৈছিল। POCSO (পক্সো) সমগ্ৰ ভাৰতত প্ৰযোজ্য। POCSO (পক্সো) আইনত নিৰ্ধাৰিত অপৰাধবোৰ জেণ্ডাৰ-নিউট্ৰেল (লিংগ নিৰপেক্ষ)। ২০১৯ চনত আইনখন সংশোধন কৰা হৈছিল আৰু অধিক কঠোৰ কৰা হৈছিল।

### মুখ্য বিশেষত্বসমূহ:

- অভিযুক্তজনে তেওঁৰ নিৰ্দোষতা প্ৰমাণ কৰিব লাগিব।
- শিশু চেক্সুৱেল এবিউজৰ (যৌন উৎপীড়ন) বিষয়ে পুলিচক (আৰক্ষী) অৱগত কৰিব লাগিব। অৱগত নকৰাটো এটা অপৰাধ। এজন পুলিচ অফিচাৰৰ (আৰক্ষী বিষয়া) দ্বাৰা ঋওজ এখন পঞ্জীয়ন কৰিবলৈ অস্বীকাৰ কৰাটোও এক ক্ৰাইম (অপৰাধ)। প্ৰতিবেদন নিদিয়াৰ বাবে ০ ৰ পৰা ৬ মাহ কাৰাদণ্ড আৰু/বা জৰিমনা হ'ব পাৰে।
- প্ৰতিখন জিলাত বিশেষ আদালত গঠন কৰা হৈছে যিবোৰ শিশু-অনুকূল আৰু ফাষ্ট ট্ৰেক। এই আদালতবোৰে বিশেষভাৱে কেৱল যৌন উৎপীড়ৰ মোকাবিলা কৰে।
- বিশেষ আদালতবোৰত ইন-কেমেৰা শুনানী হয়। শিশুটোক কোনো সময়তে অভিযুক্তৰ সংস্পৰ্শলৈ অনা নহয়।
- শিশু এটাৰ সন্মতিক বৈধ প্ৰতিৰক্ষা বুলি গণ্য কৰা নহয়।
- ভুক্তভোগীসকলক ক্ষতিপূৰণ প্ৰদান কৰা হয়।

**অপৰাধৰ শ্ৰেণীসমূহ**

POCSO এক্টৰ (পক্সো আইন) অধীনত নিৰ্ধাৰিত শিশু যৌন উৎপীড়নৰ বিভিন্ন অপৰাধবোৰ কেৱল তেতিয়াহে প্ৰযোজ্য হয় যেতিয়া কাৰ্য এটা সম্পন্ন কৰাৰ আঁৰত যৌন প্ৰকৃতিৰ অভিপ্ৰায় থাকে। উদাহৰণ: কঅ শ্ৰেণীৰ বিদ্যাৰ্থী এগৰাকীৰ অনিচ্ছা স্বত্বেও সেৰিকা এগৰাকীয়ে বিদ্যাৰ্থী গৰাকীৰ লেতেৰা কাপোৰ সলনি কৰাটো POCSO (পক্সো) আইনৰ অধীনত সামৰি লোৱা নহ'ব। 'উদ্দেশ্য' মানে কি হয় তাৰ কোনো স্পষ্ট সংজ্ঞা নাই। ক'ৰ্টৰ (আদালত) সন্মুখত উপস্থাপন কৰা তথ্য আৰু পৰিস্থিতিবোৰে চেক্সুৱেল (যৌন) উদ্দেশ্যৰ উপস্থিতি বা অনুপস্থিতি সূচাব।

এক্টখনক (আইনখনক) নিম্নলিখিত সাতটা কেটেগৰী (শ্ৰেণী) A-ৰ পৰা G-লৈ বিভক্ত কৰিব পাৰি।

A. চেক্সুৱেল হেৰাছমেণ্ট (যৌন উৎপীড়ন)
B. চেক্সুৱেল এছ'ল্ট (যৌন আক্ৰমণ)
C. এগ্ৰাভেটেড চেক্সুৱেল এছ'ল্ট (অক্ৰামক যৌন আক্ৰমণ)
D. পেনেট্ৰেটিভ চেক্সুৱেল এছ'ল্ট (অন্তৰ্ভেদী যৌন আক্ৰমণ)
E. এগ্ৰাভেটেড পেনেট্ৰেটিভ চেক্সুৱেল এছ'ল্ট (গুৰুতৰ অন্তৰ্ভেদী যৌন আক্ৰমণ)
F. পৰ্ণোগ্ৰাফিক (অশ্লীল) উদ্দেশ্যৰ বাবে শিশুৰ ব্যৱহাৰ
G. এবেটমেণ্ট (অপৰাধত উদগনি দিয়া)

A. **চেক্সুৱেল হেৰাছমেণ্ট (যৌন উৎপীড়ন):** ইয়াত এনে অপৰাধবোৰ অন্তৰ্ভুক্ত কৰা হয় য'ত টাচ্ছ (স্পৰ্শ) অন্তৰ্ভুক্ত নাথাকে যেনে অভদ্ৰ মন্তব্য কৰা, ষ্টকিং (অনুসৰণ কৰা), অশীল ছবি/বাৰ্তা প্ৰেৰণ কৰা, প্ৰাইভেট পাৰ্ট (গুপ্তাংগ) প্ৰদৰ্শন কৰা ইত্যাদি।
**শাস্তি:** ০-ৰ পৰা ৩ বছৰ জেল (কাৰাদণ্ড) আৰু/বা জৰিমনা

B. **চেক্সুৱেল এছ'ল্ট (যৌন আক্ৰমণ):** ইয়াত এনে ক্ৰাইম (অপৰাধ) আৱৰা হয় য'ত টাচ্ছ (স্পৰ্শ) অন্তৰ্ভুক্ত থাকে, কিন্তু স্পৰ্শটো নন-পেনেট্ৰেটিভ (অনা-অন্তৰ্ভেদী) হয় যেনে শিশুৰ প্ৰাইভেট পাৰ্ট (গুপ্তাংগ) স্পৰ্শ কৰা বা শিশুটোক আন কাৰোবাৰ সৈতে এনে কৰিবলৈ বাধ্য কৰা, ইদ্যাদি।
**শাস্তি:** ৩-ৰ পৰা ৫ বছৰ জেল (কাৰাদণ্ড) আৰু লগতে জৰিমনা পৰিশোধ কৰিব লাগিব।

C. ***এগ্ৰাভেটেড চেক্সুৱেল এছ'ল্ট (অক্ৰামক যৌন আক্ৰমণ) (শ্ৰেণী ঊ-ৰ পিছত বাকচত দিয়া তথ্য চাওঁক)**

D. **পেনেট্ৰেটিভ চেক্সুৱেল এছ'ল্ট (অন্তৰ্ভেদী যৌন আক্ৰমণ):** শিশু এটাৰ যিকোনো অৰিফিচত (ছিদ্ৰত) (মুখ আৰু/বা কঁকালৰ তলৰ যিকোনো ছিদ্ৰত) যিকোনো বস্তু/ শৰীৰৰ অংগ সুমুৱাই দিয়া।
শাস্তি:
a. ১০ বছৰৰ বাবে জেলৰ পৰা যাৱতজীৱন কাৰাদণ্ড
b. আৰু জৰিমনা
b. যদি শিশুটো ১৬ বছৰতকৈ কম বয়সৰ হয়, তেনেহ'লে ১০ বছৰৰ বাবে জেলৰ পৰা যাৱতজীৱন কাৰাদণ্ড আৰু জৰিমনা।

E. ***এগ্ৰাভেটেড পেনেট্ৰেটিভ চেক্সুৱেল এছ'ল্ট (গুৰুতৰ অন্তৰ্ভেদী যৌন আক্ৰমণ): (তথ্যৰ বাবে নিম্নলিখিত বাকচ চাওঁক)**

***গুৰুতৰ আক্ৰমণ**

যৌন আৰু অন্তৰ্ভেদী যৌন আক্ৰমণবোৰক পুনৰ ক্ৰমান্বয়ে **গুৰুতৰ যৌন আক্ৰমণ** আৰু **গুৰুতৰ অন্তৰ্ভেদী যৌন আক্ৰমণ** হিচাপে শ্ৰেণীবদ্ধ কৰা হৈছে। **আক্ৰমণ এটা গুৰুতৰ হয়,** অৰ্থাৎ অধিক তীব্ৰ হয় যেতিয়া দায়িত্ব আৰু বিশ্বাসৰ ব্যক্তি এজনে শিশু যৌন উৎপীড়ন কৰে। পৰিয়ালৰ সদস্য, আৰক্ষী কৰ্মী, সশস্ত্ৰ বাহিনীৰ কৰ্মী, শিক্ষানুষ্ঠান/চিকিৎসালয় আদিৰ প্ৰশাসন বা কৰ্মচাৰ আদি দায়িত্ব আৰু বিশ্বাসৰ পদত থকা ব্যক্তিৰ শ্ৰেণীৰ অন্তৰ্গত হয়। দলবদ্ধ ধৰ্ষণ, শিশুটোৰ মৃত্যুও কাৰণ হোৱা, বা যদি শিশু ভুক্তভোগীৰ বয়স ১২ বছৰৰ তলৰ হয়, তেনেহ'লেও আক্ৰমণ এটাক গুৰুতৰ আক্ৰমণ বিবেচনা কৰা হয়।

**শাস্তি:**

গুৰুতৰ যৌন আক্ৰমণৰ বাবে, ৫-ৰ পৰা ৭ বছৰ জেল (কাৰাদণ্ড) আৰু জৰিমনা

গুৰুতৰ অন্তৰ্ভেদী যৌন আক্ৰমণৰ বাবে, ২০ বছৰৰ কাৰাবাসৰ পৰা আজীৱন কাৰাদণ্ড আৰু জৰিমনা অথবা **মৃত্যুদণ্ড**।

পক্সো আইনখন ২০১৯ চনত সংশোধন কৰা হৈছিল। সংশোধনটোত শিশু পীড়িতসকলৰ বয়স অনুসৰি শ্ৰেণীবিভাজন, বৰ্ধিত শাস্তি, মৃত্যুদণ্ড আদি প্ৰৱৰ্তন কৰা হৈছিল।

F. **পৰ্ণোগ্ৰাফিক (অশ্লীল) উদ্দেশ্যৰ বাবে শিশুৰ ব্যৱহাৰ:** প্ৰিণ্ট, ইলেক্ট্ৰনিক, কম্পিউটাৰ, টেলিভিছন চেনেল, ইণ্টাৰনেট বা আন যিকোনো প্ৰযুক্তিৰ দ্বাৰা মাধ্যমৰ জৰিয়তে শিশু এটাক পৰ্ণোগ্ৰাফিক (অশ্লীল) সমল প্ৰস্'তি, প্ৰযোজনা, প্ৰসাৰণ, প্ৰকাশ, প্ৰদান আৰু বিতৰণৰ বাবে অন্তৰ্ভুক্ত কৰা।

শাস্তি: ৩-ৰ পৰা ৫ বছৰ জেল (কাৰাদণ্ড) আৰু জৰিমনা পৰিশোধ কৰিব লাগিব। পুনৰাবৃত্তি কৰা অপৰাধীৰ বাবে, কাৰাদণ্ডটো দীঘলীয়া সময়ৰ বাবে হ'ব।

প্ৰিণ্ট, ইলেক্ট্ৰনিক, ডিজিটেল আদিৰ দ্বাৰা যিকোনো প্ৰকাৰত শিশু পৰ্ণোগ্ৰাফিক সমল সংৰক্ষণ কৰাটো এক্টখনৰ (আইনখনৰ) অধীনত দণ্ডনীয়। বিভিন্ন কাৰক যেনে ব্যক্তিজনে অপৰাধটো পুনৰাবৃত্তি কৰিছে নেকি, পৰ্ণোগ্ৰাফিক সমলটো বাণিজ্যিক উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰাৰ উদ্দেশ্য আদিৰ ওপৰত নিৰ্ভৰ কৰি শাস্তি ০-ৰ পৰা ৭ বছৰলৈ কাৰাবাস হ'ব পাৰে।

G. **এবেটমেণ্ট (অপৰাধত উদগনি দিয়া):** ইয়াৰ অৰ্থ হৈছে কাৰোবাক ক্ৰাইম (অপৰাধ) কৰাত সহায় কৰা আৰু ইয়াৰ বাবে অপৰাধ কৰা ব্যক্তিজনৰ দ্বাৰা একে শাস্তি হয়।

**প্ৰমাণ আৰু ক্ৰাইম চীণ (অপৰাধৰ দৃশ্যপট) সুৰক্ষিত কৰা**

ক্ৰাইম (অপৰাধ) এটাৰ প্ৰমাণ সুৰক্ষিত কৰি ৰখাটো অত্যাৰশ্যকীয়। স্কুল (বিদ্যালয়) কৰ্তৃপক্ষই উৎপীড়ন সংঘটিত হোৱা অঞ্চলটো ঘেৰাও কৰিবলৈ তাৎক্ষণিক পদক্ষেপ ল'ব লাগিব আৰু পুলিচক অৱগত কৰিব লাগিব। প্ৰমাণ ধ্বংস কৰাটো হৈছে নিজেই এক অপৰাধ।

**শিশুটোৰ পৰিচয় সুৰক্ষিত কৰা**

শিশু ভুক্তভোগীৰ প্ৰাইভেচী (গোপনীয়তা) কঠোৰভাৱে সুৰক্ষিত কৰিব লাগিব। শিশু এটাৰ পৰিচয়ত অন্তৰ্ভুক্ত থাকে তাৰ/তাইৰ নাম, ঠিকনা, ফটোগ্ৰাফ, পৰিয়ালৰ বিৱৰণ, স্কুল, চুবুৰীয়া ইত্যাদি।স্কুল (বিদ্যালয়) কৰ্তৃপক্ষই নিশ্চিত কৰিব লাগিব যে শিশুটোৰ পৰিচয় মেডিয়াৰ (সংবাদ মাধ্যমৰ) পৰা সুৰক্ষিত থাকে। স্পেচিয়েল ক'ৰ্টৰ পাৰ্মিচন (বিশেষ আদালতৰ অনুমতি) অবিহনে শিশু এটাৰ পৰিচয় প্ৰকাশ কৰা যিকোনো ব্যক্তিক ৬ মাহৰ পৰা ১ বছৰৰ জেল (কাৰাদণ্ড) আৰু/বা জৰিমনাৰ শাস্তি বিহা হ'ব পাৰে।

**POCSO-ৰ (পক্সো) অধীনত ভুৱা অভিযোগ**

যিকোনো ব্যক্তিৰ বিৰুদ্ধে ভুৱা অভিযোগ দাখিল কৰা বা ভুৱা তথ্য প্ৰদান কৰা যিকোনো ব্যক্তিক ৬ মাহলৈকে কাৰাদণ্ড আৰু/বা জৰিমনাৰ শাস্তি বিহা হ'ব পাৰে। অপৰাধৰ প্ৰতিবেদন দিয়াত ব্যৰ্থ হোৱা, ভুৱা অভিযোগ কৰা বা অপৰাধৰ বিষয়ে ভুৱা তথ্য প্ৰদান কৰা শিশু এটা এই এক্টৰ (আইনৰ) অধীনত দায়বদ্ধ হ'ব নোৱাৰে।

## ৪. POCSO E-BOX (পক্সো ই-বক্স)

NCPCR-এ ভাৰত চৰকাৰৰ গড়্ঈউ-ৰ সৈতে POCSO E-BOX (পক্সো ই-বক্স) নামৰ এক দৃষ্টান্তমূলক অভিযোগ বাকচ সৃষ্টি কৰিছে। এই E-BOX (ই-বক্স) www.ncpcr.gov.in ঠিকনাত উপলব্ধ। শিশু সহ যিকোনো লোকে চাইল্ড চেক্সুৱেল এবিউজৰ (শিশু যৌন উৎপীড়ন) প্ৰতিবেদন দিবলৈ ই-বক্স ব্যৱহাৰ কৰিব পাৰে। অভিযোগ দিয়াৰ বাবে ১০৯৮ বা ৯৮৬৮২৩৫০৭৭ বা ১৮০০১১৫৪৫৫ নম্বৰত ফোন কৰিব পাৰি।






पोक्सो ई–बॉक्स

**POCSO E-BOX**

## 9. নেচনেল চেক্স অফেণ্ডাৰ ৰেজিষ্ট্ৰি - NDSO / ৰাষ্ট্ৰীয় যৌন অপৰাধী পঞ্জী

চেক্সুৱেল অফেণ্ডাৰ (যৌন অপৰাধী) সকলৰ বাবে ৰাষ্ট্ৰীয় ডাটাবেচ হৈছে সমগ্ৰ ভাৰতৰ চেক্স অফেণ্ডাৰসকলৰ এক ৰাষ্ট্ৰীয় পঞ্জী। ইয়াত ২০০৫ চনৰ পৰা দোষী সাব্যস্ত চেক্স অফেণ্ডাৰ (যৌন অপৰাধী) সকলৰ সম্পূৰ্ণ বিৱৰণ আছে যাতে তেওঁলোকক অনুসৰণ আৰু নিৰীক্ষণ কৰিব পাৰি। ঘউঝঙ- ২০১৮ চনৰ পৰা কাৰ্যকৰী হৈছিল আৰু ইয়াত ৪ লাখতকৈও অধিক দোষী সাব্যস্ত অপৰাধীৰ বিৱৰণ আছে। ডাটাবেচটো কেৱল আৰক্ষীৰ দৰে ল এনফ'ৰ্চমেণ্ট এজেন্সীৰ (আইন প্ৰৱৰ্তনকাৰী সংস্থা) বাবেহে উপলব্ধ, ৰাইজৰ বাবে নহয়। আৰক্ষীয়ে বিদ্যালয়কে ধৰি বিভিন্ন সংগঠনত কাম কৰা কৰ্মচাৰীসকলৰ প্ৰমাণীকৰণৰ বাবে এই তথ্য ব্যৱহাৰ কৰে।

## 10. নেচনেল লীগেল চাৰ্ভিচেছ অঠ'ৰিটি - NALSA / ৰাষ্ট্ৰীয় আইনী সেৱা কৰ্তৃপক্ষ

লীগেল চাৰ্ভিচেছ অঠৰিটিচ এক্ট, ১৯৮৭-ৰ (আইনী সেৱা কৰ্তৃপক্ষ আইন, ১৯৮৭) অধীণত নেচনেল লীগেল চাৰ্ভিচেছ অঠ'ৰিটি - ঘঅখঝঅ (ৰাষ্ট্ৰীয় আইনী সেৱা কৰ্তৃপক্ষ) গঠন কৰা হৈছে।

আইনখনৰ অধীনত, হিউমেন ট্ৰেফিকিং ভিক্টিম (মানৱ সৰবৰাহৰ ভুক্তভোগী), POCSO (পক্সো) ভুক্তভোগী, চিডিউল্ড কাষ্ট (অনুসূচীত জাতি) বা চিডিউল্ড ট্ৰাইবৰ (অনুসূচীত জনজাতি) সদস্য, মহিলা, শিশু, দৰিদ্ৰ লোক আদিক বিনামূলীয়া আইনী সেৱা প্ৰদান কৰা হয়।

ভাৰতৰ চিফ জাষ্টিচ (মুখ্য ন্যায়াধীশ) হৈছে NALSA-ৰ মুৰব্বী। প্ৰতিখন ৰাজ্যত, ষ্টেট লীগেল চাৰ্ভিচেছ অঠ'ৰিটি - SLSA (ৰাজ্যিক আইনী সেৱা কৰ্তৃপক্ষ) গঠন কৰা হৈছে। SLSA-ৰ মুৰব্বী হৈছে সংশিষ্ট হাই ক'ৰ্টৰ ((উচ্চ ন্যায়ালয়) চিফ জাষ্টিচ (মুখ্য ন্যায়াধীশ)। প্ৰতিখন জিলাত, ডিষ্ট্ৰিক্ট লীগেল চাৰ্ভিচেছ অঠ'ৰিটি - DLSA (জিলা আইনী সেৱা কৰ্তৃপক্ষ) গঠন কৰা হৈছে। ই ডিষ্ট্ৰিক্টচ ক'ৰ্ট কমপেক্সত (জিলা আদালত চৌহদ) অৱস্হিত আৰু ইয়াৰ মুৰব্বী হৈছে ডিষ্ট্ৰিক্ট জাজ (জিলা ন্যায়াধীশ)। টালুকা পৰ্যাযত টালুকা লীগেল চাৰ্ভিচেছ অঠ'ৰিটিও (টালুকা আইনী সেৱা কৰ্তৃপক্ষ) গঠন কৰা হৈছে। আইনী সেৱা কৰ্তৃপক্ষেবাৰে POCSO (পক্সো) ভুক্তভোগী সকলক ক্ষতিপূৰণো প্ৰদান কৰে। বিবাদবোৰৰ সৌহাৰ্দপূৰ্ণ নিষ্পত্তিৰ সেইবোৰে সময়ে সময়ে লোক আদালত আয়োজিত কৰে।

## 11. ঈঅঈত্র (CACA) সুৰক্ষা কৰ্মপুস্তিকাত অন্তৰ্ভুক্ত চৰকাৰী ল'গ'/নীতি/আঁচনি/হিল্পলাইন নম্বৰ

## REPORT

**Child labour** - https://pencil.gov.in/Complaints/add

**Child sexual abuse - CSA** - POCSO E - Box https://ncpcr.gov.in/user_complaints.php **Or** call toll free POCSO Helplines 1800115455, 9868235077, Child Helplines 1098

**Food adulteration** - SMS/ WhatsApp at - 9868686868

**National Cyber Crime Reporting** - https://cybercrime.gov.in/

## TRACK

A missing Child
https://trackthemissingchild.gov.in/trackchild/index.php

## ADOPT

A Child - http://cara.nic.in/

## HELP-LINES

**The National Disaster Response Force** (NDRF) - 9711077372

**Railway Police** - 1052

**Trangender certification by Ministry of Justice and Empowerment, Govt. of India** - http://transgender.dosje.gov.in/

**NIMHANS for psychosocial support and mental health services to survivors during disasters** - 080–46110007

**NALSA (Free Legal Aid)** - 15100

**National common emergency number** - 112

Drug de-addiction, Ministry of Social Justice and Empowerment Govt. of India 1800-11-0031

চিল্ড্ৰন এগেইনষ্ট
চাইল্ড এবিউজ

# প্ৰজেক্ট কাকা (CACA)

edusynergies

স্কুলৰ চেফটি পলিচীৰ অধীনত
শিশুসকলৰ বাবে এক চেফটি প্ৰগ্ৰাম।

## কাকা (ঈঅঈঅ) চেফটী ৱৰ্কবুকচ
## (কিণ্ডাৰগাৰ্টেনৰ পৰা নৱম শ্ৰেণীলৈ)

### ৱৰ্কবুক শিৰোনাম

- মাই বিগিনাৰ্চ চেফটী ৱৰ্কবুক
- মাই ফাৰ্ষ্ট চেফটী ৱৰ্কবুক
- মাই চেকেণ্ড চেফটী ৱৰ্কবুক
- মাই থাৰ্ড চেফটী ৱৰ্কবুক
- মাই ফ'ৰ্থ চেফটী ৱৰ্কবুক
- মাই ফিফথ চেফটী ৱৰ্কবুক
- মাই চিক্সথ চেফটী ৱৰ্কবুক
- মাই চেভেঞ্চ চেফটী ৱৰ্কবুক
- মাই এইথ চেফটী ৱৰ্কবুক
- মাই নাইনথ চেফটী ৱৰ্কবুক

ASM

**Project CACA**
**Address:** EW - 3, Second Floor, Mianwali Nagar, Paschim Vihar, Delhi-110087
**Contact No:-** 011-40074904, 092054 88402, 092054 88405
**E mail:** info@projectcaca.org
**Website:** www.projectcaca.org
@projectcaca | @projectcaca

***End the Stigma, Raise Awareness***

***RED-ASM-01***